# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 08-JAN-2026
**Time :** 1715 HRS

## ***Assamese Evening Bulletin***
## Headlines
**-------------------**

০০০০০

১। ডিব্রুগড়ৰ খোৱাঙত প্ৰায় ২৩ হাজাৰ মহিলাৰ মাজত মুখ্যমন্ত্ৰীৰ উদ্যমিতা পুঁজিৰ চেক বিতৰণ। লখিমপুৰত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন।

২। প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, বিজেপিৰ জ্যেষ্ঠ নেতা কবিন্দ্ৰ পুৰকায়স্থৰ আজি ৰাজ্যিক মৰ্যাদাৰে শেষকৃত্য সম্পন্ন।

৩। বৰ্তমানৰ এন ডি এ চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নত অগ্ৰাধিকাৰ দিছে বুলি কেন্দ্ৰীয় বস্ত্ৰমন্ত্ৰী গিৰিৰাজ সিঙৰ প্ৰকাশ।

**আৰু**

৪। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ জাগীৰোডত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ।

০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড়ৰ খোৱাং বিধান সভা সমষ্টিৰ আত্মসহায়ক গোটৰ প্ৰায় ২৩ হাজাৰ মহিলাৰ মাজত উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰে। ৰাঙচালি পঞ্চায়তৰ ৰাজহুৱা খেলপথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী যোগেন মহন, স্থানীয় বিধায়ক চক্ৰধৰ গগৈকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে আজি লখিমপুৰ জিলাত উদ্যমিতা আঁচনিৰ ধন বিতৰণ কৰাৰ লগতে ১৩২ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপনৰ কাৰ্যসূচীত অংশ লয়। মুখ্যমন্ত্ৰীয়ে উত্তৰ লখিমপুৰ চহৰৰ অনাময় ব্যৱস্থাৰ আধুনিকীকৰণ আৰু বিজ্ঞান উন্নত আবৰ্জনা নিষ্কাষণৰ লক্ষ্যৰে ৪ এম এল ডি পয়ঃপ্ৰণালী প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। তেওঁ লগতে প্ৰশাসনিক সংস্কাৰ আৰু ক্ষমতা বিকেন্দ্ৰিকৰণৰ গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে লখিমপুৰ জিলা আয়ুক্তৰ নৱ-নিৰ্মিত কাৰ্যালয় ভৱনৰ আধৰশীলা স্থাপন কৰে। ড০ শৰ্মাই ৪০ কোটি ৪৪ লাখ টকা ব্যয়সাপেক্ষে অসম মালা আঁচনিৰ অধীনত ন-আলিৰ পৰা কলিতাগাঁও চাৰিআলিলৈ পথ উন্নীতকৰণ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ উপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে ৩০ কোটি টকা ব্যয় সাপেক্ষে জহিঙত নিৰ্মাণ কৰা নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন কৰে।

০০০০০

প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী, প্ৰয়াত ৰাজনীতিবিদ তথা বিজেপিৰ এগৰাকী জ্যেষ্ঠ নেতা কবিন্দ্ৰ পুৰকায়স্থৰ শেষকৃত্য আজি ৰাজ্যিক মৰ্যাদাৰে শিলচৰৰ শ্মশানঘাটত সম্পন্ন হয়। অসম প্ৰদেশ বিজেপিৰ পিতামহস্বৰূপ কবিন্দ্ৰ পুৰকায়স্থক শেষ শ্ৰদ্ধা জনোৱাৰ বাবে অগণন লোকে ভিৰ কৰে। ইয়াৰ পূৰ্বে শিলচৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰা তেওঁৰ নশ্বৰদেহ কাছাৰ জিলা বিজেপিৰ কাৰ্যালয়লৈ নিয়া হয় আৰু তাৰ পৰা জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰলৈ লৈ যোৱা হয়। ক্ৰীড়া সন্থাৰ খেলপথাৰতে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, বৰাক উপত্যকা উন্নয়নৰ বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, মন্ত্ৰী কৃষ্ণেন্দু পাল, সাংসদ পৰিমল

শুক্লবৈদ্যৰ লগতে কেইবাগৰাকী বিধায়ক, বিভিন্ন দলৰ নেতা-কৰ্মীকে ধৰি অনুষ্ঠান-প্ৰতিষ্ঠানে প্ৰয়াত ৰাজনীতিবিদগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই প্ৰয়াত ৰাজনীতিবিদগৰাকীক উত্তৰ-পূব ভাৰতত বিজেপিৰ সাংগঠনিক ভেটি শক্তিশালী কৰা অভিভাৱকস্বৰূপ ব্যক্তি আছিল বুলি উল্লেখ কৰে।

**ৰাইট (দিলীপ শইকীয়া)**

০০০০০

বৰ্তমানৰ এন ডি এ চৰকাৰে উত্তৰ পূৰ্বাঞ্চলৰ উন্নয়নত অগ্ৰাধিকাৰ দিছে বুলি কেন্দ্ৰীয় বস্ত্ৰমন্ত্ৰী গিৰিৰাজ সিঙে প্ৰকাশ কৰিছে। গুৱাহাটীত আজিৰে পৰা দুদিনীয়াকৈ অনুষ্ঠিত ৰাষ্ট্ৰীয় বস্ত্ৰ সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অটল বিহাৰী বাজপেয়ীয়ে ড'নাৰ মন্ত্ৰালয়ৰ পৰিকল্পনা কৰিছিল আৰু বৰ্তমান চৰকাৰে তৃণমূল পৰ্যায়ত উন্নয়নৰ সপোন বাস্তৱায়িত কৰাৰ বাবে কাম কৰি আছে। সম্প্ৰতি উত্তৰ পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে প্ৰায় ৬ লাখ কোটি টকা বিনিয়োগ কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে বৰ্তমান উত্তৰ পূৰ্বাঞ্চলৰ মুঠ ঘৰুৱা উৎপাদনৰ বিকাশ হাৰ ১০-১২ শতাংশ হৈছে। তেওঁ লগতে ৭৫ লাখ বিঘা ভূমি অবৈধ দখলকাৰীৰ কবলৰ পৰা মুক্ত কৰাৰ বাবে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শলাগ লয়। দেশৰ বস্ত্ৰ উদ্যোগে বিকাশ লাভ কৰা বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

**ৰাইট (গিৰিৰাজ সিং)**

সন্মিলনত ভাগ লৈ বস্ত্ৰ ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই কয়, যে বস্ত্ৰ মূল্য শৃংখলাৰ কোনো সীমা নাথাকে আৰু উমৈহতীয়া আন্তঃগাঁথনি, সূচল পৰিবহণ আৰু দক্ষতা বিকাশৰ সমন্বিত প্ৰচেষ্টাৰ ওপৰতে ইয়াৰ সফলতা নিৰ্ভৰ কৰে।

কেন্দ্ৰীয় সন্মিলনখনৰ বিষয়বস্তু হৈছে- **ভাৰতৰ বস্ত্ৰ ঃ বয়ন বিকাশ, ঐতিহ্য আৰু উদ্ভাৱন।** এই সন্মিলনত দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ বস্ত্ৰ মন্ত্ৰী আৰু জ্যেষ্ঠ বিষয়াসকলে অংশগ্ৰহণ কৰিছে। এই সন্মিলনৰ লক্ষ্য হৈছে বস্ত্ৰখণ্ডত নতুন নীতি, বিনিয়োগ, বহনক্ষমতা, ৰপ্তানি, আন্তঃগাঁথনিৰ বিকাশ আৰু বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত প্ৰযুক্তিগত উন্নয়নৰ দিশসমূহৰ সন্দৰ্ভত আলোচনা কৰাৰ বাবে এখন মঞ্চ প্ৰদান কৰা। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে ২০৩০ চনৰ ভিতৰত ভাৰতে বস্ত্ৰ উদ্যোগৰ ক্ষেত্ৰত গোলকীয়ভাৱে সুকীয়া পৰিচয় গঢ়ি তোলাৰ উদ্দেশ্য আগত ৰাখি কাম কৰিবলৈ বিচাৰিছে। সন্মিলনৰ সৈতে সংগতি ৰাখি দেশৰ বস্ত্ৰ শক্তি, উদ্ভাৱন আৰু সমৃদ্ধ ঐতিহ্যক চিহ্নিত কৰা এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে। এই সন্মিলনে জিলাসমূহত বস্ত্ৰৰ মূল্য শৃংখল শক্তিশালী কৰাৰ লক্ষ্যৰে সৰ্বশ্ৰেষ্ঠ অনুশীলন, প্ৰত্যাহ্বান আৰু নীতিগত পৰামৰ্শসমূহৰ আদান-প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি জাগীৰোডত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ৰাজ্যপালগৰাকীয়ে জাগীৰোড সমজিলাৰ অন্তৰ্গত কুমৈ আঞ্চলিক মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মত বিনিময় কৰি মধ্যাহ্ন ভোজন কৰে। শ্ৰীআচাৰ্যই ইয়াৰ পূৰ্বে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে চৰকাৰে আগবঢ়োৱা চাইকেল বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক অধ্যয়নৰ প্ৰতি আগ্ৰহী হোৱাৰ লগতে আধ্যাত্মিক চিন্তা-চৰ্চাৰে ভৱিষ্যতৰ সুনাগৰিক হ'বলৈ উৎসাহিত কৰে। ৰাজ্যপালগৰাকীয়ে ঝাৰগাঁৱত এটা কাৰ্যসূচীত অংশ লৈ যক্ষ্মা ৰোগীসকলৰ মাজত খাদ্যৰ টোপোলা বিতৰণ কৰে।

০০০০০

অহা ১৭ জানুৱাৰীত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত বড়োসকলৰ বাগৰুম্বা নৃত্যৰে বিশ্ব অভিলেখ গঢ়াৰ কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰস্তুতি চলি আছে। আমাৰ নগাঁও জিলাৰ সংবাদদাতাই জনোৱা মতে নগাঁও চহৰৰ আৰক্ষী ছাউনীৰ খেলপথাৰত  জিলাখনৰ ৩২৮ গৰাকী নৃত্য শিল্পী আৰু ১৪ গৰাকী বাদ্য শিল্পীক লৈ বাগৰুম্বা নৃত্যৰ অনুশীলন কৰা হৈছে। আজিৰে পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত এই অনুশীলনস্থলীত আজি দুপৰীয়া নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা আৰু জিলা আয়ুক্ত দেৱাশীষ শৰ্মা উপস্থিত হৈ শিল্পীসকলক উৎসাহিত কৰে। কোকৰাঝাৰ জিলাৰ পাঁচোটা বিধান সভা সমষ্টিৰ

১০ হাজাৰ শিল্পীয়ে বাগৰুম্বাৰ অনুশীলনত অংশ লৈছে। বিহু আৰু ঝুমইৰ বিনন্দিনীৰ পাছত বাগৰুম্বা নৃত্যৰে বিশ্ব অভিলেখ গঢ়াৰ বাবে আয়োজিত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত থাকিব।

০০০০০

ৰাজ্য চৰকাৰৰ নিযুক্তি প্ৰক্ৰিয়াৰ অংশস্বৰূপে অচিৰেই মুঠ ১১ হাজাৰ ১৩ গৰাকী প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব। এই অনুসৰি কাইলৈ এ ডি আৰ ইত উত্তীৰ্ণ হোৱা ৪ হাজাৰ ৩৭৪ গৰাকী চতুৰ্থ বৰ্গৰ প্ৰাৰ্থীক গুৱাহাটী খানাপাৰাৰ নৱনিৰ্মিত জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে জনোৱা অনুসৰি পৰহিলৈ সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত এ ডি আৰ ইত উত্তীৰ্ণ হোৱা ৬ হাজাৰ ৩৪৭ গৰাকী তৃতীয় বৰ্গৰ প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব। একেদৰে ১২ জানুৱাৰীত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত এ ডি আৰ ইত উত্তীৰ্ণ হোৱা ২৯২ গৰাকী চাহ জনগোষ্ঠী প্ৰাৰ্থীৰ মাজত নিযুক্তি পত্ৰ বিতৰণ কৰা হ'ব। এই নিযুক্তি সম্পন্ন হ'লে নতুনকৈ নিযুক্তি লাভ কৰা প্ৰাৰ্থীৰ সংখ্যা ১ লাখ ৪৫ হাজাৰ ৬৬৪ৰ পৰা ১ লাখ ৫৬ হাজাৰ ৬৭৭লৈ বৃদ্ধি পাব।

০০০০০

চিৰাং জিলাৰ বিজনীৰ বৰলাউগাঁৱৰ থেংফাখ্ৰী ফৌথাৰত কাইলৈৰ পৰা তিনিদিনীয়াকৈ হ'বলগীয়া বড়ো সাহিত্য সভাৰ ৬৫ সংখ্যক কেন্দ্ৰীয় অধিৱেশনৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে। কাইলৈ পুৱা ৯ বজাত ড° মনেশ্বৰ ব্ৰহ্ম সোঁৱৰণী মুখ্য প্ৰৱেশদ্বাৰ বিটিচিৰ কাৰ্যবাহী সদস্য তথা অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি ধীৰাজ বৰগয়াৰীয়ে মুকলি কৰিব। ইয়াৰ পাছতে পদ্মলোচন বড়ো সোঁৱৰণী মুখ্য তোৰণ মুকলি কৰা হ'ব। ইয়াৰ পাছতে প্ৰতিনিধি শিবিৰ আৰু স্বেচ্ছাসেৱক শিবিৰসমূহ মুকলি কৰা হ'ব। দিনৰ চাৰে ১১ বজাত 'সপোনৰ পৰা গন্তব্য স্থানলৈ, প্ৰতিযোগিতামূলক পৰীক্ষাত সফলতাৰ কৌশল' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। বিয়লি ৩ বজাত কবি সন্মিলন আৰু চাৰে ৪ বজাত 'বড়োসকলৰ সমসাময়িক আৰ্থ-সামাজিক জীৱন অন্বেষণ' শীৰ্ষক আলোচনাচক্ৰ অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাৰ পৰা প্ৰথম প্ৰতিনিধি সভা আৰু সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। পৰহিলৈ স্মৃতিগ্ৰন্থ উন্মোচন আৰু বঁটা প্ৰদান কাৰ্যসূচী অনুষ্ঠিত হ'ব। ১১ জানুৱাৰীৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা।

০০০০০

সমাপ্ত